**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-MAR-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

বিধানসভা নিৰ্বাচনলৈ মাজত মাথো ৮টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ধেমাজিৰ গোগামুখ আৰু বিশ্বনাথৰ বিহালীত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ বাবে অসমত উপস্থিত হ'ব। ৬ এপ্ৰিলত প্ৰধানমন্ত্ৰীয়ে মৰাণ, বৰপেটা আৰু লামডিঙত প্ৰচাৰ চলোৱাৰ বাবে পুনৰ অসমলৈ আহিব।

কাইলৈ বিজেপিৰ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাৰ্ণাৱিজে অসমলৈ আহিব। কংগ্ৰেছৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে দেৱব্ৰত শইকীয়া, লুৰিণজ্যোতি গগৈ আৰু বিপুল গগৈৰ হৈ প্ৰচাৰ চলাব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি প্ৰচাৰ চলাব। মুখ্যমন্ত্ৰীয়ে ৰহা, ডিমৰীয়া, বৰক্ষেত্ৰী আৰু কমলপুৰত প্ৰচাৰ অভিযানত ভাগ লব। তেওঁ কালি মাজুলীৰ গড়মূৰৰ মিনি ষ্টেডিয়ামত বিজয় সংকল্প সভাত অংশ লয় আৰু এন ডি এ সমৰ্থিত প্ৰাৰ্থী ভূবন গামৰ হৈ প্ৰচাৰ চলায়। তেওঁ বিয়লিৰ ভাগলৈ নাওবৈচা, চিচিবৰগাওঁ আৰু শদিয়াত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। সন্ধিয়ালৈ তেওঁ ডিব্ৰুগড়ত এটা ৰোড শ্ব'ত ভাগ লয়।

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণ জ্যোতি গগৈ, ৰাইজৰ দলৰ অখিল গগৈকে ধৰি কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ আন আন প্ৰাৰ্থী সকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে।

এ আই এম আই এম দলৰ সভাপতি আছাদুদ্দিন ওৱেইছীয়ে অহা ২ এপ্ৰিলত ৰূপহীহাট, চামগুৰি, দ'লগাওঁ, ধিং, লাহৰীঘাটত আৰু ৩ এপ্ৰিলত বিন্নাকান্দি, গোৱালপাৰা পূৰ, ধুবুৰী, চেংগা আৰু মন্দিয়াত এ আই ইউ ডি এফৰ হৈ প্ৰচাৰ চলোৱাৰ কথা।

০০০০০০

বিধানসভা নিৰ্বাচন শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যজুৰি নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। প্ৰথমবাৰৰ বাবে এটা পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগে কেইবা তৰপীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। গৃহৰক্ষী আৰু বিভিন্ন পদৰ বিষয়াকে ধৰি ৭৪ হাজাৰৰো অধিক অসম আৰক্ষীৰ বিষয়া জোৱানক নিয়োগ কৰা হৈছে। ইপিনে আন্তঃৰাজ্যিক আৰু আন্তঃজিলা সীমান্তত চিচিটিভি নিৰীক্ষণৰ ব্যৱস্থাৰ উপৰি তালাচী অভিযান তীব্ৰতৰ কৰি তোলা হৈছে। ৰাজ্যৰ ১৩৪টা সীমান্ত পহৰা চকীত অহৰ্নিশে ফ্লায়িং স্কোৱাডে সূক্ষ্মভাৱে তালাচী অভিযান চলাই আছে।

বিভিন্ন স্থানত চলোৱা অভিযানত বিভিন্ন সামগ্ৰীৰ লগতে নগদ ধনো জব্দ কৰা হৈছে। **জালুকবাৰী** আৰক্ষীয়ে ষ্টেটিক ছাৰ্ভিলেন্স দলৰ সৈতে চলোৱা যৌথ অভিযানত কালি জালুকবাৰী উৰণ সেতুৰ সমীপত এজন মটৰচাইকেল আৰোহীৰ পৰা নগদ ২৬ লাখ টকা জব্দ কৰে। **তামুলপুৰ** জিলাৰ গোৰেশ্বৰৰ বাঙালীপাৰাত কালি নিশা ফ্লায়িং স্কোৱাডে চলোৱা এটা অভিযানত ৬ লাখ ১২ হাজাৰ ৫৫০ টকা জব্দ কৰা হয়। টংলাৰ পৰা তামুলপুৰ অভিমুখে আহি থকা এখন বাহনত তালাচী চলাওঁতে উপযুক্ত নথি-পত্ৰ অবিহনে অনা এই ধনখিনি জব্দ কৰা হয়।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচন সম্পৰ্কে ডিব্ৰুগড়ৰ মোহনবাৰী বিমান বন্দৰৰ নতুন এ টি চি টাৱাৰৰ সন্মিলন কক্ষত কালি এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। ডিব্ৰুগড়, চাবুৱা-লাহোৱাল আৰু খোৱাং বিধানসভা সমষ্টিৰ ব্যয় পৰ্যবেক্ষক আদৰ্শ তিৱাৰীৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত কেন্দ্ৰীয় ঔদ্যোগিক সংৰক্ষিত বাহিনী, আয়কৰ বিভাগ, এছ্ জি এছ্ টি, বেংক, বিমান বন্দৰ কৰ্তৃপক্ষ আৰু ব্যয় নিৰীক্ষণ গোটৰ বিষয়াসকল উপস্থিত থাকে। বৈঠকত ব্যয় পৰ্যবেক্ষকগৰাকীয়ে নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত সকলোকে সৰ্বাধিক সতৰ্কতা অৱলম্বন কৰি সকলো দিশতে তীক্ষ্ণ নজৰ ৰাখিবলৈ আহ্বান জনায়।

০০০০০০

মাজুলী জিলা সাহিত্য সভাৰ অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস কালি নামনি মাজুলীৰ বালি চাপৰিৰ মিলিত কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত উদযাপন কৰা হয়। অঞ্চলটোৰ কেইবাখনো শাখা সাহিত্য সভাৰ সৌজন্যত অনুষ্ঠিত এই অনুষ্ঠানত শতাধিক লেখক-লেখিকাক সম্বৰ্ধনা জনোৱাৰ লগতে ৰাজ্য চৰকাৰৰ পৰা যুৱ লেখকৰ পুৰস্কাৰ লাভ কৰা লেখক-লেখিকা সকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। দিনৰ ১২ বজাৰ পৰা অনুষ্ঠিত মুকলি সভাত কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ অংশ হিচাপে মাজুলী জিলা সাহিত্য সভাৰ কুঁহি উপ সমিতিৰ উদ্যোগত সুৰেণ ৰাজখোৱা সোঁৱৰণী চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়।

০০০০০০

**সমাপ্ত**